# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 16-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::::**

অসম বিধানসভাৰ ৯ জুনত এখন এদিনীয়া বিশেষ অধিবেশন অনুষ্ঠিত হ'ব। কালি ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই এই সন্দৰ্ভত এক অধিসূচনা জাৰি কৰে।

০০০০

ৰাজ্যৰ দুগ্ধ উৎপাদন ক্ষেত্ৰক অধিক উজ্জীৱীত কৰি তোলাৰ লক্ষ্যৰে অসম মন্ত্ৰীসভাই ৰাণীৰ ফাৰ্ম মেনেজমেণ্ট প্ৰতিষ্ঠানৰ ২০ বিঘা ভূমি আমূল কোম্পানীক লীজত দিয়াৰ বাবে অনুমোদন জনাইছে। দিছপুৰৰ লোকসেৱা ভৱনত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। মন্ত্ৰীসভাই অহা অক্টোবৰৰ পৰা বছা বছা কেইখনমান জিলাত ৰাজ সাহায্যযুক্ত মচুৰ দাইল, চেনী আৰু নিমখ হিতাধিকাৰীৰ মাজত বিতৰণৰ বাবে অনুমোদন জনায়। অসমত ব্যক্তিগতখণ্ডৰ বিনিয়োগক উৎসাহিত কৰি নিয়োগৰ সুযোগ সৃষ্টিৰ বাবে মন্ত্ৰীসভাই আই আই পি এ অধীনত দুটাকৈ প্ৰস্তাৱত অনুমোদন জনায়। তদুপৰি ড০ বাণীকান্ত কাকতি কম্পিউটাৰ সাক্ষৰতা কাৰ্যসূচীৰ অধীনত এহেজাৰ ৩১৩ গৰাকী অংশকালীন আই চি টি শিক্ষকৰ মাহিলী মাননী অহা অক্টোবৰৰ পৰা ২০ হাজাৰ টকালৈ বৃদ্ধিৰ অনুমোদন জনায়। মন্ত্ৰীসভাই তেওঁলোকক ৬০ বছৰ বয়সলৈ সেৱা প্ৰদানৰ নিশ্চয়তা দিয়ে। ইয়াৰ ফলত তেওঁলোক মুখ্যমন্ত্ৰী লোক সেৱক আৰোগ্য যোজনা, আপোন ঘৰ আৰু আপোন বাহন আঁচনিৰ বাবে যোগ্য বিবেচিত হ'ব।

০০০০

উত্তৰ-পূব ৰে'ল আন্তঃগাথনি আধুনিকীকৰণৰ বাবে অমৃত ভাৰত ষ্টেছন আঁচনিৰ অধীনত নগাওঁ, হয়বৰগাওঁ ৰে'লষ্টেছনৰ পুনৰ বিকাশৰ কাম সম্পূৰ্ণ হৈছে। ইয়াৰ দ্বাৰা হয়বৰগাওঁ ষ্টেছনত আধুনিক যাত্ৰীকেন্দ্ৰীক আৰু সৰ্বাঙ্গীন ভ্ৰমণকেন্দ্ৰলৈ ৰূপান্তৰিত কৰা হৈছে। ১৮৮৭ চনতে স্থাপিত, ঐতিহাসিক এই হয়বৰগাওঁ ৰেলষ্টেছনে আঞ্চলিক সংযোগৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

০০০০

বিশিষ্ট কণ্ঠশিল্পী গায়ত্ৰী হাজৰিকাৰ আজি আবেলি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৰসান ঘটে। দীৰ্ঘদিন ধৰি কৰ্কট ৰোগত আক্ৰান্ত হৈ থকা শিল্পীগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৪৩ বছৰ। শিল্পীগৰাকীয়ে ২০২১ চনত ৰত্নাকৰ বোলছবিৰ **ৰাতি ৰাতি** শীৰ্ষক গীতটোৰ বাবে শ্ৰেষ্ঠ কণ্ঠ শিল্পীৰ প্ৰাগ চিনে এৱাৰ্ড লাভ কৰিছিল। গুৱাহাটীৰ তাৰিণি চৌধুৰী ছোৱালী হাইস্কুলৰ পৰা স্কুলীয়া শিক্ষা গ্ৰহণ কৰা গায়ত্ৰী হাজৰিকাই কলিকতাৰ ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ পৰা সংগীতত স্নাতক ডিগ্ৰী লাভ কৰাৰ লগতে লক্ষ্ণৌৰ ভাটখাণ্ডে সংগীত বিদ্যাপীঠৰ পৰা সংগীতৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। ১৯৯২ চনতে আকাশবাণী গুৱাহাটী আৰু গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰত শিশু শিল্পী হিচাপে গীত পৰিৱেশন কৰা গায়ত্ৰী হাজৰিকা আকাশবাণী

গুৱাহাটীৰ এগৰাকী স্বীকৃতিপ্ৰাপ্ত শিল্পী আছিল। শিল্পীগৰাকীৰ নশ্বৰ দেহ গীতানগৰ বিহুতলীলৈ যোৱা হয় আৰু তাতে সাংস্কৃতিক জগতৰ ভালেসংখ্যক কৰ্মী আৰু গুণমুগ্ধই তেওঁৰ প্ৰতি শেষ শ্ৰদ্ধা জনায়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি বিভিন্নজনে শিল্পীগৰাকীৰ মৃত্যু গভীৰ শোক প্ৰকাশ কৰিছে। আজি সন্ধিয়া নৱগ্ৰহ শ্মশানত শিল্পীগৰাকীৰ শেষ কৃত্য সম্পন্ন কৰা হয়।

০০০০

গোসাইগাওঁ কলেজৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক জয়নাল আবেদিনক সামাজিক মাধ্যমত পাকিস্তানৰ সমৰ্থনত কিছু আপত্তিজনক বিষয়বস্তু পোষ্ট কৰাৰ বাবে গোসাইগাওঁ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে।

০০০০

বজালীৰ পাটাছাৰকুছি বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি হঠাতে বৰপেটা জিলাৰ বিদ্যালয় পৰিদৰ্শক বিতোপন হাজৰিকা উপস্থিত হয়। পৰিদৰ্শকগৰাকীয়ে বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষসহ অধিকাংশ শিক্ষক-শিক্ষয়িত্ৰী অনুপস্থিত দেখি অধ্যক্ষসহ ২৯ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক নিজৰ কাৰ্যালয়লৈ তলব কৰি ৩ দিনৰ সময়সীমা বান্ধি দি কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে।

০০০০

ৰাজ্যৰ শিক্ষা বিভাগে গোৱালপাৰা আৰু কোকৰাঝাৰ জিলাৰ ১০৫ খন নিম্ন প্ৰাথমিক বিদ্যালয়ত **ৰাভা ভাষা মাধ্যম**ৰ অধিসূচনা জাৰি কৰা কাৰ্যক নিখিল ৰাভা সাহিত্য সভাই আদৰণি জনাইছে। ইয়াৰে গোৱালপাৰা জিলাৰ ৮১ খন আৰু কোকৰাঝাৰ জিলাৰ ২৪ খন নিম্ন প্ৰাথমিক বিদ্যালয়ত ৰাভা ভাষা মাধ্যমৰ অধিসূচনা জাৰি কৰা হৈছে। উল্লেখযোগ্য যে, দীৰ্ঘদিনৰ পৰা নিখিল ৰাভা সাহিত্য সভা আৰু ৰাভা জাতীয় দল সংগঠনসমূহে ৰাভা অধ্যুষিত বিদ্যালয়সমূহত ৰাভা ভাষাক মাধ্যমৰ বাবে চৰকাৰক দাবী জনাই আহিছিল।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ পলাশ চৌধুৰী আৰু অৱসৰপ্ৰাপ্ত কৰ্নেল দীপক চক্ৰৱৰ্তীৰ সৈতে অপাৰেচেন সিন্দূৰ আৰু ভাৰতীয় সেনাবাহিনীৰ পৰাক্ৰমৰ বিষয়ে এটা বাৰ্তালাপ প্ৰচাৰ কৰিব।

পৰহিলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাতো কেইবাগৰাকীও বীৰ যোদ্ধাৰ অভিমত প্ৰচাৰ কৰা হ'ব।

অনুষ্ঠানৰ পৰিকল্পনা, উপস্থাপন আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

ধেমাজী জিলাৰ চিমেনচাপৰি নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া দিলিপ গগৈৰ আজি সন্ধিয়া নিজা বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৬ বছৰ। চিমেনচাপৰি অঞ্চলৰ অভিভাৱকস্বৰূপ, বিভিন্ন সাংস্কৃতিক, শৈক্ষিক ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা প্ৰয়াত গগৈয়ে মৃত্যুৰ সময়ত পত্নীসহ পুত্ৰ-কন্যাক এৰি থৈ যায়।

০০০০

সমাপ্ত